**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-05 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::::**

১। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ ভূবনেশ্বৰত দলৰ লোকসভা আৰু বিধানসভাৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

২। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব।

৩। মণিপুৰৰ ৰাজ্যপাল সুশ্ৰী অনুসূয়া ৰিকিয়ে ইম্ফলত আয়োজিত এটা অনুষ্ঠানত **স্কুল অন হুইলছ** শীৰ্ষক ভ্ৰাম্যমান বিদ্যালয় সেৱা মুকলি কৰে।

৪। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে নৰম আই চি চি মহিলা টি-২০ ক্ৰিকেট প্ৰতিযোগিতা-২০২৪, ৩ৰ পৰা ২০ অক্টোবৰলৈ বাংলাদেশত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি কলকাতা নাইট ৰাইডাৰ্ছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৯৮ ৰানৰ বৃহৎ ব্যৱধানত পৰাজিত কৰাৰ বিপৰীতে চেন্নাই ছুপাৰ কিংছে পাঞ্জাব কিংছক ২৮ ৰানত পৰাজিত কৰে। ০০০০০০০

০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে কালি নিশা ওড়িশাৰ ভূবনেশ্বৰত উপস্থিত হয়। তাত তেওঁ দলৰ লোকসভা আৰু বিধানসভাৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। প্ৰধানমন্ত্ৰীয়ে কালি ওড়িশাৰ ৰাজভৱনত নৈশ যাপন কৰে। বিজেপিৰ নেতা-কৰ্মী তথা অন্যান্য লোকসকলে তেওঁক বিমান বন্দৰত আদৰণি জনায়। শ্ৰীমোদীয়ে আজি ৰাজ্যখনৰ গঞ্জম জিলাৰ গোপালপুৰ বিধানসভা সমষ্টিৰ অধীনৰ কানিচিত এখন জনসভাক সম্বোধন কৰিব। তেওঁ লগতে নৱৰংপুৰ জিলাৰ ছিকিলি খেলপথাৰত আন এখন সভাত অংশ ল'ব। লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত এয়া হৈছে শ্ৰীমোদীৰ প্ৰথমটো ওড়িশা ভ্ৰমণ। ৰাজ্যখনত অহা ১৩ মে'ৰ পৰা চাৰিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত ৭খন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭খন লোকসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩খনকৈ, পশ্চিমবংগৰ ৯খন, বিহাৰৰ ৮খন, ওড়িশাৰ ৬খন, হিমাচল প্ৰদেশৰ ৪খন, ঝাৰখণ্ডৰ ৩খন আৰু কেন্দ্ৰীয়শাসিত অঞ্চল চণ্ডীগড়ৰ এখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন হৈছে ১৪ মে'। ১ জুনত সপ্তম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰকাশ নাড্ডাই কালি চত্তিশগড়ৰ সুৰজপুৰ চহৰত এখন জনসভাক সম্বোধন কৰে। তেওঁ কয় যে, কেন্দ্ৰত থকা বিজেপি চৰকাৰে উন্নয়নৰ নতুন পৰিসৰ স্থাপন কৰিছে। বিগত ১০ বছৰত দেশৰ বেছিভাগ অঞ্চলৰ পৰাই নক্সালবাদ নিৰ্মূল কৰা হৈছে বুলি বিজেপিৰ সভাপতিগৰাকীয়ে মত প্ৰকাশ কৰে। তেওঁ উল্লেখ কৰে যে, অভিলাসী জিলা কাৰ্যসূচী, গ্ৰাম বিকাশ আৰু একলব্য আদৰ্শ বিদ্যালয় আদিৰ দৰে মোদী চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ জৰিয়তে জনজাতীয় অঞ্চলসমূহত উন্নয়নৰ নতুন ধাৰা মুকলি কৰা হৈছে। তেওঁ লগতে বিজেপি চৰকাৰে জনজাতীয় সম্প্ৰদায়ৰ কল্যাণৰ সৈতে জড়িত বাজেট তিনিগুণ বৃদ্ধি কৰিছে বুলিও মন্তব্য কৰে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি অযোধ্যাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সুগ্ৰীৱ কিলাৰ পৰা ৰোড শ্ব' আৰম্ভ কৰাৰ পূৰ্বে তেওঁ ৰামলালাৰ দৰ্শন আৰু পূজা অৰ্চনা কৰে। চলিত বৰ্ষৰ ২২ জানুৱাৰীত ৰামলালাৰ প্ৰাণ প্ৰতিষ্ঠাৰ পাছত এয়া আছিল শ্ৰীমোদীৰ প্ৰথমটো অযোধ্যা ভ্ৰমণ। তেওঁ সুগ্ৰীৱ কিলাৰ পৰা লতা চৌকলৈ প্ৰায় ২ কিলোমিটাৰ দীঘলীয়া ৰোড শ্ব'ত অংশ লয়। উল্লেখযোগ্য যে বিজেপিয়ে অযোধ্যাৰ পৰা বৰ্তমানৰ সাংসদ লল্লু সিঙক টিকট দিয়াৰ বিপৰীতে সমাজবাদী পাৰ্টীয়ে জ্যেষ্ঠ নেতা অৱদেশ প্ৰসাদক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে উত্তৰ প্ৰদেশৰ এটাৱাত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছক কোভিড বিষয়ৰ সন্দৰ্ভত কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয় যে, এই দলসমূহে কোভিডৰ সময়ত জনসাধাৰণৰ মাজত অপপ্ৰচাৰ চলোৱাৰ লগতে তেওঁলোকক বিভ্ৰান্ত কৰাৰ চেষ্টা কৰিছিল। ইয়াৰ বিপৰীতে তেওঁৰ চৰকাৰ আৰু বিজ্ঞানীসকলে প্ৰতিজন লোকৰ জীৱন বচোৱাৰ বাবে কঠোৰ চেষ্টা চলাইছিল বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ পাছত তেওঁ সীতাপুৰ জিলাত আন এখন সভাত অংশগ্ৰহণ কৰি কংগ্ৰেছে সংখ্যালঘুৰ ভোট হেৰুৱাবলৈ ধৰাৰ বাবে এতিয়া স্বজন-তোষণৰ নীতি গ্ৰহণ কৰিছে বুলি মন্তব্য কৰে।

০০০০০

মণিপুৰৰ ৰাজ্যপাল সুশ্ৰী অনুসূয়া ৰিকিয়ে কালি ইম্ফলত আয়োজিত এটা অনুষ্ঠানত **স্কুল অন হুইলছ** শীৰ্ষক ভ্ৰাম্যমান বিদ্যালয় সেৱা মুকলি কৰে। মণিপুৰৰ বিদ্যা ভাৰতী শিক্ষা বিকাশ সমিতিয়ে ৰূপায়ণ কৰা এই পদক্ষেপৰ লক্ষ্য হৈছে ৰাজ্যখনৰ সাহায্য শিবিৰ সমূহত থকা শিশুসকলক শিক্ষা প্ৰদান কৰা। এই বিদ্যালয় সেৱাৰ বাহনখনত এগৰাকী শিক্ষকৰ লগতে এটা পুথিভঁৰাল, কম্পিউটাৰ আৰু খেলৰ সামগ্ৰী থাকিব। বাহনখনে ৰাজ্যখনৰ বিভিন্ন স্থানত থকা সাহায্য শিবিৰসমূহ ভ্ৰমণ কৰি শিশুসকলক প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰিব। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে এই পদক্ষেপৰ শলাগ লৈ কয় যে, শিবিৰত থকা শিশুসকলে কোনোধৰণৰ শিক্ষাৰ পৰা বঞ্চিত হোৱাতো উচিত নহয়। তেওঁ লগতে এনেধৰণৰ বাহনৰ সংখ্যা বৃদ্ধিৰ বাবে বিদ্যা ভাৰতী শিক্ষা বিকাশ সমিতিক প্ৰয়োজনীয় সকলো সমৰ্থন আগবঢ়াবলৈ মুখ্য সচিবক নিৰ্দেশ দিয়ে।

০০০০০

মণিপুৰত কালি বিয়লি অহা ধূমুহা-শিলাবৃষ্টিয়ে বিধ্বংসী ৰূপ ধাৰণ কৰাৰ ফলত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ঘৰ-দুৱাৰ আৰু সা-সম্পত্তিৰ ক্ষতিসাধন হোৱাৰ লগতে বহু লোক গৃহহীন হৈ পৰে বুলি জানিব পৰা গৈছে। বিষ্ণুপুৰ, নোনী, পূৱ ইম্ফল, পশ্চিম ইম্ফল, আৰু থৌবাল জিলাৰ বিভিন্ন অঞ্চল ধুমুহা-বৰষুণৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। মণিপুৰৰ ৰাজ্যিক পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন সঞ্চালকালয়ৰ তথ্য অনুসৰি, টামেংলং জিলাত দেওবাৰে হোৱা শিলবৰষুণৰ সৰ্বাধিক পৰিমাণ আছিল ২১.৬ মিলিমিটাৰ। ইম্ফল চহৰত সৃষ্টি হোৱা কৃত্ৰিম বানপানীৰ ফলত স্বাভাৱিক যাতায়াতত যথেষ্ট

অসুবিধাৰ সন্মুখীন হবলগীয়া হয়। অৱশ্যে এই পৰ্যন্ত কোনো লোক হতাহত হোৱা নাই বুলি জানিব পৰা গৈছে।

00000

কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰত কালি নিৰাপত্তাৰক্ষী আৰু আৰক্ষীয়ে দক্ষিণ কাশ্মীৰৰ শ্বোপিয়ান জিলাৰ পৰা সন্ত্ৰাসবাদী গোটৰ দুটা সহযোগীক গ্ৰেপ্তাৰ কৰিছে। নিৰ্দিষ্ট তথ্যৰ ভিত্তিত আৰক্ষীয়ে সেনা আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সৈতে শ্বোপিয়ানৰ আলুৰা ইমাম চাহাব এলেকাত তালাচী চলাইছিল। অভিযানত গ্ৰেপ্তাৰ হোৱা দুই সন্ত্ৰাসবাদীৰ পৰা এটা মেগজিন, ৮জাই সক্ৰিয় গুলী, চীনত নিৰ্মিত দুটা গ্ৰেণেডৰ লগতে বহু আপত্তিজনক সামগ্ৰী জব্দ কৰা হৈছে। ইমাম চাহাব আৰক্ষী থানাত ইতিমধ্যে গোচৰ ৰুজু কৰি ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অধিক তদন্ত আৰম্ভ কৰিছে।

00000

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ চমুকৈ আই চি চি এ নৱম আইচিচি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগীতা-২০২৪, ৩ অক্টোবৰৰ পৰা ২০ অক্টোবৰলৈ বাংলাদেশত অনুষ্ঠিত হ’ব বুলি ঘোষণা কৰিছে। আইচিচিৰ প্ৰেছ বিবৃতি অনুসৰি ঢাকাৰ শ্বেৰে বাংলা ৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়াম আৰু চিলেট আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ১৮ দিনৰ ভিতৰত দহটা দলে মুঠ ২৩খন খেল খেলিব। ২০২৩ চনৰ ৰানাৰ্ছ আপ দক্ষিণ আফ্ৰিকাই টি-২০ মহিলা বিশ্বকাপৰ উদ্বোধনী মেচত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৪ অক্টোবৰত ভাৰতীয় দলটো নিউজিলেণ্ডৰ মুখামুখি হ'ব।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত খেলত কালি কলকাতা নাইট ৰাইডাৰ্ছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৯৮ ৰানৰ বৃহৎ ব্যৱধানত পৰাজিত কৰে। ২৩৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি লক্ষ্ণৌয়ে ১৬ অভাৰ এটা বলতে আটাইকেইটা উইকেট হেৰুৱাই ১৩৭ ৰানহে কৰিবলৈ সক্ষম হয়। হৰ্ষিত ৰাণা আৰু বৰুণ চক্ৰৱৰ্তীয়ে ৩টাকৈ মুঠ ৬টা উইকেট লাভ কৰি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বেটিং লাইন বিধ্বস্ত কৰে। দলটোৰ হৈ কে এল ৰাহুল আৰু মাৰ্কাছ ষ্ট’ইনিছে ৫০ ৰানৰ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই যদিও কে এল ৰাহুল আউট হোৱাৰ পাছতে সকলোখিনি চেষ্টা অথলে যায়। ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২৩৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ সুনীল নাৰাইনে মাত্ৰ ৩৯টা বলতে ৮১ ৰান কৰে। লক্ষ্ণৌৰ হৈ নৱীন উল হকে ৩টাকৈ উইকেট দখল কৰে। এই জয়ৰ পাছতে কলকাতা নাইট ৰাইডাৰ্ছ ১৬ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষ স্থানত আছে।

ইপিনে ধৰমশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছে পাঞ্জাব কিংছক ২৮ ৰানত পৰাজিত কৰে। খেলখনত চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৬৭ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ৰবীন্দ্ৰ জাদেজাই ২৬ টা বলত সৰ্বাধিক ৪৩ ৰান কৰে। পাঞ্জাব দলৰ হৈ ৰাহুল চাহাৰ আৰু হৰ্শ্বল পেটেলে ৩ টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে নিৰ্ধাৰিত অভাৰত ৯টা উইকেট হেৰুৱাই ১৩৯ ৰানহে কৰিবলৈ সক্ষম হয়। চেন্নাইৰ ৰবীন্দ্ৰ জাদেজাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। চেন্নাই বৰ্তমান পইণ্ট তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে পাঞ্জাব অষ্টম স্থানত আছে।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ’বলগীয়া খেলত মুম্বাই ইণ্ডিয়ানছে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

00000

সমাপ্ত